**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 10-03-2026 **Time :** 1800 Hrs.

***Assamese Evening Bulletin***

**HEADLINES (6.00 PM)**

::::::::::::::::::::

১। গুৱাহাটীত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ ৰাজ্যৰ ৪০ লাখ হিতাধিকাৰীক অৰুণোদয় আঁচনিৰ তৃতীয় পৰ্যায়ৰ অধীনত ৯ হাজাৰ টকাকৈ প্ৰদান।

২। সোণাপুৰৰ টেপিচিয়াত বিজ্ঞান নগৰীৰ মহানগৰ চৌহদ আনুষ্ঠানিকভাৱে মুকলি।

২। নুনমাটিৰ পৰা গুৱাহাটী ক্লাব সংযোগী ৰাজ্যৰ দীৰ্ঘতম মহাৰাজ পৃথু উৰণ সেঁতুৰ ক্ষন্তেক পাছতে আনুষ্ঠানিক উদ্বোধন কাৰ্যসূচী।

**আৰু**

৪। প্ৰাক্তন কেন্দ্ৰীয় ৰাজ্য মন্ত্ৰী বিৰেন সিং ইংতিৰ দেহাৱসান। কাৰ্বি আংলঙত দুদিনীয়া শোক। ০০০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি গুৱাহাটীৰ খানাপাৰাত জ্যোতি-বিষ্ণু আন্তৰ্জাতিক কলা মন্দিৰত অনুষ্ঠিত বিশেষ অনুষ্ঠানত ৰাজ্যৰ ৪০ লাখ হিতাধিকাৰীক অৰুণোদয় আঁচনিৰ তৃতীয় পৰ্যায়ৰ অধীনত ৯ হাজাৰ টকাকৈ প্ৰদান কৰে। ৰাজ্য চৰকাৰে মুঠ ৩ হাজাৰ ৬০০ কোটি টকা অৰুণোদয় হিতাধিকাৰীৰ বাবে ব্যয় কৰিব। আজিৰ অনুষ্ঠানক ঐতিহাসিক আখ্যা দি মুখ্যমন্ত্ৰী ড০ শৰ্মাই কয়, যে আজি ৰাজ্যৰ তিনি হাজাৰ ৮০০ৰো অধিক স্থানৰ গাঁও পৰিষদ উন্নয়ন সমিতি, স্বায়ত্ত শাসিত পৰিষদ সমষ্টি, গাঁও পঞ্চায়ত, গাঁও উন্নয়ন সমিতি আৰু বিভিন্ন ৱাৰ্ডত আয়োজিত অনুষ্ঠানত অভিলেখ সংখ্যক হিতাধিকাৰীক ধনৰাশি প্ৰদান কৰা হৈছে। ভাষণ প্ৰসংগত মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, যে আজিলৈকে অৰুণোদয় আঁচনিৰ অধীনত ১৭ হাজাৰ কোটি টকা ব্যয় কৰা হৈছে। মুখ্যমন্ত্ৰীয়ে অনাগত সময়ত ৰাজ্যত ২ লাখ চাকৰিত নিযুক্তিৰ সুবিধা দিয়া হ'ব বুলিও ভাষণত উল্লেখ কৰে।

**বাইট (চি এম)**

এই অনুষ্ঠানত বিত্তমন্ত্ৰী অজন্তা নেওগ, বিধায়ক সিদ্ধাৰ্থ ভট্টাচাৰ্যও উপস্থিত থাকে।

ৰাজ্যৰ চিৰাং, ধেমাজি, মাজুলী, কাছাৰ, চৰাইদেউ, ডিব্ৰুগড়, শোণিতপুৰকে ধৰি বিভিন্ন জিলাত অৰুণোদয় আঁচনিৰ ধনৰাশি হিতাধিকাৰীক প্ৰদান কৰাৰ বাতৰি আমাৰ সংবাদদাতাসকলে জানিবলৈ দিছে। **ধেমাজি** জিলাত শিক্ষা, ভৈয়াম জনজাতি আৰু পিছপৰা শ্ৰেণী কল্যাণ বিভাগৰ মন্ত্ৰী ডা০ ৰণোজ পেগুৱে আজি অৰুণোদয় আঁচনিৰ তৃতীয় সংস্কৰণৰ ধনৰাশি বিতৰণ কাৰ্যসূচীত অংশগ্ৰহণ কৰে। মন্ত্ৰীগৰাকীয়ে এই আঁচনিয়ে জিলাখনৰ প্ৰায় এক লাখ মহিলাক আৰ্থিকভাৱে সহায় কৰিব বুলি মন্তব্য কৰে। **কাছাৰ** জিলাত ২ লাখৰো অধিক মহিলাক এই আঁচনিৰ ধনৰাশি প্ৰদান কৰি বৰাক উপত্যকা উন্নয়ন বিভাগৰ মন্ত্ৰী কৌশিক ৰায়ে আঁচনিখনক ঐতিহাসিক বুলি মন্তব্য কৰে। **মৰিগাঁও** জিলাত ধনৰাশি প্ৰদান কাৰ্যসূচীত অংশগ্ৰহণ কৰি জলসম্পদ মন্ত্ৰী পীযূষ হাজৰিকাই এই আঁচনিয়ে ৰাজ্যৰ মহিলাসকলক আৰ্থিক দিশত প্ৰভূত সহায় কৰিব বুলি

মন্তব্য কৰে। **চৰাইদেউ** জিলাত ৬০ হাজাৰৰো অধিক মহিলাক এই আঁচনিৰ অধীনত আজি ধনৰাশি প্ৰদান কৰা হয়।

০০০০০০০

গুৱাহাটীৰ সমীপৰ সোণাপুৰৰ টেপেচিয়াত নিৰ্মিত বিজ্ঞান নগৰীৰ মহানগৰ চৌহদ আজি মুকলি কৰা হয়। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই বিজ্ঞান নগৰীখন আনুষ্ঠানিকভাৱে মুকলি কৰে। ৰাজ্য চৰকাৰ আৰু কেন্দ্ৰীয় চৰকাৰৰ ৰাষ্ট্ৰীয় বিজ্ঞান সংগ্ৰহালয় পৰিষদৰ যুটীয়া প্ৰচেষ্টাত নিৰ্মিত এই বিজ্ঞান নগৰী ইউৰেকা আৰু স্পেচ অডিচি শীৰ্ষক দুটা মুখ্য শাখা নিৰ্মাণ কৰা হৈছে আৰু শীঘ্ৰে বিজ্ঞান আৱিষ্কাৰ তথা বিজ্ঞান উদ্যান নামৰ দুটা শাখা সংযোজন কৰা হ'ব। এই অনুষ্ঠানৰ পৰা মুখ্যমন্ত্ৰীয়ে আমিনগাওঁ, মাজুলী, শিলচৰ আৰু কলিয়াবৰ আৰু বঙাইগাঁওত নিৰ্মাণ কৰা ৫ টা জিলা বিজ্ঞান কেন্দ্ৰ ভাৰ্চুৱেল ব্যৱস্থাৰে মুকলি কৰে। এই কেন্দ্ৰ কেইটাত বিজ্ঞান বিথীকা, ডিজিটেল তাৰকাগৃহ, প্ৰেক্ষাগৃহ আদিৰ ব্যৱস্থা আছে। ২৫০ বিঘাৰো অধিক ভূমি সামৰি প্ৰায় ৩০০ বিঘা ভূমি সামৰি গুৱাহাটীৰ বিজ্ঞান নগৰী নিৰ্মাণ কৰা হৈছে। মুখ্যমন্ত্ৰীয়ে আজি এই প্ৰকল্পটো মুকলি কৰি নতুন প্ৰজন্মক কেন্দ্ৰটোলৈ আহি বিজ্ঞানৰ বিভিন্ন তথ্য আৰু আৱিষ্কাৰৰ বিষয়ে অৱগত হ'বলৈ আহ্বান জনায়। উদ্বোধনী অনুষ্ঠানত বিজ্ঞান আৰু প্ৰযুক্তি মন্ত্ৰী কেশৱ মহন্তয়ো অংশগ্ৰহণ কৰে। কামৰূপ জিলাৰ দদৰাত আজি জিলা বিজ্ঞান কেন্দ্ৰটো মুখ্যমন্ত্ৰীয়ে সোণাপুৰৰ পৰা ভাৰ্চুৱেলি উদ্বোধন কৰে।জিলাখনত এই উপলক্ষে আয়োজিত অনুষ্ঠানত জিলা আয়ুক্ত দেৱ কুমাৰ মিশ্ৰ, বিধায়ক সুমন হৰিপ্ৰীয়াৰ লগতে শিক্ষক-শিক্ষয়ত্ৰী আৰু ছাত্ৰ-ছাত্ৰী সকলক উপস্থিত থাকে।

০০০০০০০০

গুৱাহাটীৰ নুনমাটিৰ পৰা গুৱাহাটী ক্লাব সংযোগী মহাৰাজ পৃথু উৰণ সেঁতুখন আজি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আনুষ্ঠানিকভাৱে মুকলি কৰিব। পাঁচ দশমিক পাঁচ কিলোমিটাৰ দৈৰ্ঘ্যৰ উৰণ সেঁতুখন ৮৫০ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰা হৈছে। সেঁতুখনৰ আধাৰশিলা ২০২৪ চনৰ ১ জানুৱাৰীত স্থাপন কৰা হৈছিল। উত্তৰ-পূৰ্বাঞ্চলৰ আটাইতকৈ দীঘল উৰণ সেঁতুখনৰ মুকলি উপলক্ষে আয়োজন কৰা অনুষ্ঠানত গুৱাহাটী লোকসভা সমষ্টিৰ সাংসদ বিজুলী কলিতা মেধি, পূব গুৱাহাটী বিধানসভা সমষ্টিৰ বিধায়ক সিদ্ধাৰ্থ ভট্টাচাৰ্য আৰু গুৱাহাটী পৌৰ নিগমৰ মেয়ৰ মৃগেন শৰণীয়াইও অংশগ্ৰহণ কৰিব। নিৰ্ধাৰিত ৩৬ মাহৰ বিপৰীতে ২৮ মাহতে এই উৰণ সেঁতুখনৰ নিৰ্মাণ সম্পূৰ্ণ হৈ উঠিছে। এই উৰণ সেঁতুখন নিৰ্মাণৰ ফলত যানজঁট হ্ৰাস পোৱাৰ লগতে জনসাধাৰণে যাতায়াতৰ ক্ষেত্ৰত সকাহ পাব বুলি আশা কৰা হৈছে।

০০০০০০০০

কংগ্ৰেছৰ জ্যেষ্ঠ নেতা তথা প্ৰাক্তন কেন্দ্ৰীয় ৰাজ্য মন্ত্ৰী বিৰেন সিং ইংতিৰ আজি গুৱাহাটীৰ এখন চিকিৎসালয়ত মৃত্যু হয়। ডিফু লোকসভা সমষ্টিৰ পৰা সাতবাৰ সাংসদ হিচাপে নিৰ্বাচিত হোৱা জ্যেষ্ঠ নেতাগৰাকী বিগত কিছুদিন ধৰি অসুস্থ হৈ আছিল। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৮১ বছৰ। ১৯৭২ চনত প্ৰথমবাৰৰ বাবে ডিফু সমষ্টিৰ পৰা লোকসভালৈ নিৰ্বাচিত ইংতিয়ে ৮ বাৰ সাংসদ হিচাপে দায়িত্ব নিৰ্বাহ কৰিছিল। নেতাগৰাকীৰ বিয়োগত শোক প্ৰকাশ কৰি জিলা খনত ২ দিন স্থানীয় বন্ধ ঘোষণা কৰা হৈছে।

০০০০০০০০

টাই ভাষা সাহিত্য আৰু সংস্কৃতিৰ উত্তৰণৰ দিশত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰা পূৰ্বাঞ্চল টাই সাহিত্য সভাৰ সাংস্কৃতিক ভৱনৰ সাংস্কৃতিক মন্ত্ৰী বিমল বৰাই আজি আধাৰশিলা স্থাপন কৰে। পূৰ্ণকান্ত বুঢ়াগোহাঁইৰ স্মৃতিত নিৰ্মাণ হ'বলগীয়া এই ভৱনে টাই সংস্কৃতি চৰ্চা আৰু সম্প্ৰসাৰণত তাৎপৰ্যপূৰ্ণ ভূমিকা পালন কৰিব বুলি মন্ত্ৰীগৰাকীয়ে ভাষণ প্ৰসংগত উল্লেখ কৰে। ৰাজ্যৰ বিভিন্ন জাতি-জনগোষ্ঠীৰ ঐতিহ্য সংস্কৃতি সংৰক্ষণৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰ দৃঢ় প্ৰতিজ্ঞ বুলি মন্ত্ৰী শ্ৰীবৰাই মন্তব্য কৰে। আজিৰ অনুষ্ঠানত বিধায়ক চক্ৰধৰ গগৈ, পূৰ্বাঞ্চল টাই সাহিত্য সভাৰ সভাপতি অতুল ফুকনকে ধৰি কেইবাগৰাকীও বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰে।

oooooooo

ভাৰতীয় পুৰুষ ভলীবল দলৰ প্ৰাক্তন অধিনায়ক অভিজিৎ ভট্টাচাৰ্যক আন্তঃৰাষ্ট্ৰীয় অলিম্পিক কমিটীৰ ২০২৫ বৰ্ষৰ লিংগ সমতা, বৈচিত্ৰ্য আৰু অন্তৰ্ভুক্তিৰ চেম্পিয়নছ বঁটাৰ বিশ্বজনীন বিজয়ী হিচাপে নিৰ্বাচিত কৰা হৈছে। ভাৰতৰ গ্ৰামাঞ্চলত তৃণমূল পৰ্যায়ৰ পৰাই শিশুসকলৰ লিংগ নিৰ্বিশেষে ক্ৰীড়া ক্ষেত্ৰত অংশগ্ৰহণৰ বাবে সুদূৰপ্ৰসাৰী পদক্ষেপ লোৱাৰ বাবে শ্ৰীভট্টাচাৰ্যক এই বঁটাৰ বাবে নিৰ্বাচন কৰা হৈছে। উল্লেখযোগ্য যে ৰাজ্যৰ কিংবদন্তী ক্ৰীড়াবিদগৰাকীয়ে ২০২০ চনৰ পৰা গ্ৰাম্য আৰু অভাৱগ্ৰস্ত শিশুসকলৰ বাবে বৃহৎ পৰিসৰত সৰ্বাংগীণ অন্তৰ্ভুক্তিমূলক ক্ৰীড়া কাৰ্যসূচী  চলাই আহিছে। অসম ভলীবল মিছন 100 আৰু ব্ৰহ্মপুত্ৰ ভলীবল লীগৰ জৰিয়তে ৰাজ্যৰ ১২ হাজাৰৰো অধিক শিশুক ভলীবল খেলৰ সৈতে সংযুক্ত কৰিবলৈ সমৰ্থ হোৱা খেলুৱৈগৰাকীয়ে ব্ৰহ্মপুত্ৰ ভলীবল লীগ সন্দৰ্ভত এনেদৰে কয়--

**বাইট (অভিজিৎ ভট্টাচাৰ্য)**

উল্লেখযোগ্য যে আন্তঃৰাষ্ট্ৰীয় অলিম্পিক কমিটীয়ে এই বিশ্বজনীন বঁটাৰ উপৰিও কালি ৫ জন ক্ৰীড়াবিদক মহাদেশীয় স্তৰতো এই বঁটাৰ বাবে মনোনয়ন কৰিছে। আফ্ৰিকাত জাম্বিয়াৰ ৰাচেল কুনডানাঞ্জি, আমেৰিকাত পানামাৰ মণিকা লুজকাণ্ড', এছিয়াত  দক্ষিণ কোৰিয়াৰ কিম অলী, ইউৰোপত ফ্ৰান্সৰ মাইকেল কাং আৰু অষ্ট্ৰেলিয়া মহাদেশত নিউজিলেণ্ডৰ ৰবীন ককবাৰ্ণ্ডক মহাদেশীয় স্তৰৰ লিংগ সমতা, বৈচিত্ৰ্য আৰু অন্তৰ্ভুক্তিৰ চেম্পিয়নছ বঁটাৰ বাবে মনোনয়ন কৰা হৈছে।

oooooooo

বিধানসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত ৰাজ্যত  ৰাজনৈতিক দল সমূহৰ তৎপৰতা ক্ৰমাত বৃদ্ধি হৈছে। নিৰ্বাচনৰ দিন ঘোষণা কৰা হোৱা নাই যদিও দলসমূহে জনসধাৰণৰ মাজলৈ গৈ প্ৰচাৰ অব্যাহত ৰাখিছে। ইপিনে, কেইবাটাও দলে নিৰ্বাচনৰ বাবে প্ৰাৰ্থী তালিকাও ঘোষণা কৰিছে। এ আই ইউ ডি এফ দলে কালি ৯ জনীয়া প্ৰথমখন প্ৰাৰ্থী তালিকা প্ৰকাশ কৰে। শাসনাধিষ্ঠিত বিজেপিয়ে ১৭ মাৰ্চৰ ভিতৰত প্ৰাৰ্থী তালিকা প্ৰকাশ কৰিব বুলি কালি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে।

কংগ্ৰেছ দলে চলিত সপ্তাহতে দ্বিতীয়খন প্ৰাৰ্থী তালিকা ঘোষণা কৰিব বুলি সাংসদ তথা অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি গৌৰৱ গগৈয়ে প্ৰকাশ কৰিছে। ইয়াৰ আগেয়ে দলে ৪২ গৰাকী প্ৰাৰ্থীৰ প্ৰথমখন তালিকা প্ৰকাশ কৰিছিল। নিৰ্বাচনী প্ৰস্তুতি সন্দৰ্ভত শ্ৰী গগৈয়ে নতুন দিল্লীত শীৰ্ষ নেতা সকলৰ সৈতে বৈঠকত মিলিত হয়।

অসম গণ পৰিষদ দলে দুই এদিনতে প্ৰাৰ্থী তালিকা প্ৰকাশ কৰিব বুলি দলৰ সভাপতি অতুল বৰাই কালি আমবাৰীত অনুষ্ঠিত প্ৰাৰ্থিত্ব কেন্দ্ৰীক বৈঠকৰ পাছত প্ৰকাশ কৰে। মিত্ৰতা সন্দৰ্ভত এতিয়াও চূড়ান্ত সিদ্ধান্ত হোৱা নাই বুলি তেওঁ উল্লেখ কৰে।

ইপিনে প্ৰচাৰৰ অংশ হিচাপে বিজেপিয়ে ৰাজ্যৰ বিভিন্ন স্থানত জন আশীৰ্বাদ যাত্ৰা কাৰ্যসূচী ৰূপায়ন কৰিছে। এই যাত্ৰাত মুখ্যমন্ত্ৰী ড০ শৰ্মাৰ লগত বিজেপিৰ ৰাজ্যিক সভাপতি দিলীপ শইকীয়া, মন্ত্ৰী ৰঞ্জিত কুমাৰ দাস, জয়ন্ত মল্ল বৰুৱাৰ উপৰি ভালেসংখ্যক দলীয় সদস্যই অংশ লৈছে। ইপিনে, কংগ্ৰেছ দলেও ৰাইজৰ মন জয় কৰাৰ বাবে সময় পৰিৱৰ্তন যাত্ৰা শীৰ্ষক কাৰ্যসূচী গ্ৰহণ কৰিছে।

০০০০০